# পাঠ - ২
# উৎসৱ

আমাৰ অসমত বিভিন্ন জনগোষ্ঠীৰ লোকে বাস কৰে। এই ভিন ভিন জনগোষ্ঠীসমূহে বিভিন্ন উৎসৱ পালন কৰে। এই জনগোষ্ঠীসমূহ হ'ল- বড়ো, চাহ জনগোষ্ঠী, দেউৰী, তিৱা, সোণোৱাল-কছাৰী, কাৰ্বি আদি। তলত দিয়া অসমৰ বিভিন্ন জনগোষ্ঠীসমূহৰ নৃত্যৰ ছবি চোৱা আৰু নামবোৰ কোৱা-



১ তোমালোকে পালন কৰা আৰু কিছুমান উৎসৱৰ নাম লিখা-

...................................................................................................................

...................................................................................................................

**বিহু** অসমৰ জাতীয় উৎসৱ। অসমৰ সকলো জাতি, ধৰ্ম, ভাষাৰ লোকে বিহু পালন কৰে। খেতি-বাতিৰ লগত জড়িত বাবে বিহুক কৃষিভিত্তিক উৎসৱ বুলিও কোৱা হয়। বিহু তিনিটা- **ব'হাগ বিহু, কাতি বিহু** আৰু **মাঘ বিহু**।



চ'তৰ শেষ দিনাখনৰ পৰা **ব'হাগ বিহু** আৰম্ভ হয়। এই বিহুৰ প্ৰথম দিনা গৰু বিহু। সেইদিনা গৰুৰ গাত মাহ-হালধি ঘঁহে। মাখিয়তী আৰু দীঘলতিৰ পাতেৰে কোবাই পুখুৰী বা নদীৰ পাৰলৈ নি গা ধুৱাই, গাত লাউ, বেঙেনা আদি আগবঢ়াই সিহঁতৰ শ্ৰীবৃদ্ধি কামনা কৰে। গধূলি নতুন পঘাৰে গৰু বান্ধে, ধূনা চাকি জ্বলাই, নতুন বিচনীৰে বিচি ধোঁৱা দিয়ে।

দ্বিতীয় দিনাৰ পৰা মানুহ বিহু। বিহুত বিহুৱান লয় আৰু আনকো দিয়ে। সৰুৱে ডাঙৰক সেৱা জনাই আশীৰ্বাদ লয়। তদুপৰি হুচৰিৰ দল গৃহস্থৰ ঘৰে ঘৰে গৈ ঢোল, পেঁপা, গগনাৰ সুমধুৰ সুৰ তুলি হুচৰি গাই গৃহস্থৰ মংগল কামনা কৰে। এনেকৈ ৰং-ৰহইছ আৰু উলহ-মালহেৰে পালন কৰা হয় বাবে এই বিহুক **ৰঙালী বিহু**ও বোলে। গৰু বিহুৰ দিনাৰ পৰা আৰম্ভ কৰি এই বিহু সাতদিনলৈ চলে।





আহিন মাহৰ শেষৰ দিনা **কাতি বিহু** পালন কৰা হয়। সেইসময়ত পথাৰ সেউজীয়া হৈ থাকে। এই বিহুত গধূলি পৰত পদূলি আৰু খেতি পথাৰত চাকি-বন্তি জ্বলোৱা হয়। চোতালৰ তুলসীৰ তলত বন্তি জ্বলাই লখিমীক ভঁৰাললৈ অহা বাট দেখুৱায়। আকাশ বন্তি জ্বলাই লখিমী আগমনৰ আভাস দিয়ে। এই সময়ত মানুহৰ অভাৱ-অনাটন বেছি হয় বাবে এই বিহুক **কঙালী বিহু**ও বোলে।

পুহ মাহৰ সংক্ৰান্তিৰ দিনা **মাঘ বিহু** পালন কৰা হয়। পথাৰৰ সোণ বৰণীয়া লখিমী আহি মানুহৰ ভঁৰাল উপচি থাকে বাবে এই সময়ত দুখীয়া লোকৰো অভাৱ গুচে। সকলোৰে খাদ্য উভৈনদী হয়। সেয়েহে এই বিহুক **ভোগালী বিহু** বোলে। এই বিহুত উৰুকাৰ নিশা সমূহীয়াকৈ ভোজ-ভাত খায়। পিছদিনা ৰাতিপুৱাই গা-ধুই মেজি, ভেলাঘৰ আদি জ্বলাই অগ্নিক সেৱা কৰে। তদুপৰি গুৰু ভকতক মাতি আনি নানা তৰহৰ পিঠা, লাৰু, দৈ, চিৰা, সান্দহ আদি খুৱাই আশীৰ্বাদ লয়। ম'হ যুঁজ, কুকুৰা যুঁজ, কড়ি খেল, দবা খেল আদি অনুষ্ঠিত কৰি ভোগালী বিহুৰ ৰং চৰোৱা হয়।







অসমত আমি যিদৰে বিভিন্ন উৎসৱ পালন কৰোঁ সেইদৰে আমাৰ দেশ ভাৰতবৰ্ষৰ আন আন প্ৰদেশতো বিভিন্ন নামেৰে বিভিন্ন উৎসৱ পালন কৰা হয়। কিছুমান উৎসৱ সাধাৰণতে ঋতুৰ ওপৰত, কিছুমান ৰীতি-নীতি তথা ধৰ্মৰ ওপৰত, কিছুমান কৃষিৰ ওপৰত নিৰ্ভৰ কৰি অনুষ্ঠিত কৰা হয়। এই উৎসৱবোৰৰ ভিতৰত কেৰেলা ৰাজ্যত 'ওনাম উৎসৱ', তামিলনাডুত 'পোংগল উৎসৱ', উৰিষ্যাত 'পৌষ সংক্ৰান্তি', পশ্চিমবংগত 'নববৰ্ষ', পঞ্জাৱত 'বৈশাখী', বিহাৰত 'চট্ পূজা' আৰু মহাৰাষ্ট্ৰত 'গণেশ চতুৰ্থী' আদি উৎসৱ পালন কৰে। ইয়াৰ উপৰি ভাৰতবৰ্ষৰ প্ৰায় সকলো ৰাজ্যতে ৰাখীবন্ধন, ঈদ, বৰদিন, দুৰ্গাপূজা, দেৱালী, সৰস্বতী পূজা আদি উৎসৱ অনুষ্ঠিত হয়। এই সকলোবোৰ উৎসৱে আমাৰ মাজত ভাতৃত্ববোধ, ৰাষ্ট্ৰীয় ঐক্য আৰু সংহতি বঢ়োৱাত অৰিহণা যোগায়।


**কেইটামান উৎসৱৰ বিষয়ে জানি লওঁ আহা-**

### ওনাম উৎসৱ

**ওনাম** ভাৰতৰ দক্ষিণ-পশ্চিম প্ৰান্তত অৱস্থিত কেৰেলা ৰাজ্যৰ এটা প্ৰধান উৎসৱ। ওনাম উৎসৱৰ দিনা ৰাতিপুৱা সৰু সৰু ল'ৰা-ছোৱালীয়ে গীত গাই গাই ফুল বুটলিবলৈ ওলাই আহে। শাওণ-ভাদ মাহৰ শস্য চপোৱাৰ পাছত এই উৎসৱ অনুষ্ঠিত হয়। ওনাম উৎসৱ দহদিন ধৰি চলে। ওনাম উৎসৱৰ লগত **'কাইকোট্টিকালি'** নাচ আৰু **'ভেলুমকালি'** নাওখেলৰ সম্পৰ্ক এৰাব নোৱাৰা। এই উৎসৱত কেৰেলাৰ সকলো শ্ৰেণীৰ লোক জড়িত হৈ পৰে। ওনাম এটি ধৰ্ম নিৰপেক্ষ লোক উৎসৱ। হিন্দু, মুছলমান আৰু খ্ৰীষ্টান আটায়ে সমান আগ্ৰহেৰে এই উৎসৱ পালন কৰে।



কাইকোট্টিকালি নাচ



'ভেলুমকালি' নাও খেল

## পোংগল উৎসৱ





**পোংগল** উৎসৱ তামিলনাডুত উদ্‌যাপন কৰা হয়। ই এক কৃষিভিত্তিক উৎসৱ। পোংগল উৎসৱক অসমৰ ভোগালী বিহুৰ লগত তুলনা কৰিব পাৰি। সেইদিনা সকলোৱে নিজৰ ঘৰ-দুৱাৰ চাফ্-চিকুণ কৰে আৰু জাবৰ-জোঁথৰ এঠাইত গোট খুৱাই জমা কৰে। ৰাতি সমূহীয়াভাবে আহাৰ গ্ৰহণ কৰাৰ পাচত ৰাতিপুৱা মাঘ বিহুৰ মেজিৰ দৰে জুই জ্বলাই দিয়ে। এই উৎসৱত সকলোৱে লগ হৈ ঢোল বজাই আনন্দ কৰে।

## দশেৰা উৎসৱ



**দশেৰা** হ'ল উত্তৰ ভাৰতৰ লোকসকলে পালন কৰা এটা উৎসৱ। এই দশেৰা উৎসৱ পালন কৰাৰ এটা কাহিনী আছে। ৰামে বনবাসত থকাৰ সময়ত ৰাৱণে সীতাক লঙ্কালৈ হৰণ কৰি নিছিল। ৰামৰ পত্নী সীতাক উদ্ধাৰ কৰিবলৈ ৰাম-ৰাৱণৰ মাজত যুদ্ধ হৈছিল। ৰামে ৰাৱণক যুদ্ধত হৰুৱাই বধ কৰিছিল। ৰামৰ এই জয়ত উল্লাসিত হৈ উৎসৱ হিচাপে দশেৰা পালন কৰা হয়।

এই উৎসৱত ৰামলীলা প্ৰদৰ্শন কৰা হয়। দশমূৰধাৰী ৰাৱণ, কুম্ভকৰ্ণ আৰু মেঘনাথৰ প্ৰতিকৃতি সাজি জ্বলাই দিয়া হয়। এই কাৰ্য আমাৰ প্ৰচলিত প্ৰবাদ 'দুষ্টক দমন সন্তক পালন'ৰ এটা ভাল উদাহৰণ।



এই দশেৰা উৎসৱ পালন কৰাৰ সময়ত পূব ভাৰতত দুৰ্গাপূজা পালন কৰা হয়। এই দুৰ্গাপূজাত দুৰ্গাৰ প্ৰতিমা সাজি পূজা অৰ্চনা কৰা হয়। সকলোৱে নতুন কাপোৰ লয়। আত্মীয় স্বজন, প্ৰতিবেশীক ঘৰলৈ নিমন্ত্ৰণ জনায়। নানা ধৰণৰ মিঠাই প্ৰস্তুত কৰা হয়। শৰৎ কালত এই উৎসৱ পালন কৰা হয়। বিজয়া দশমীৰ দিনা দুৰ্গাৰ প্ৰতিমা নদীত বিসৰ্জন দিয়া হয়।

## চট্ পূজা

**চট্ পূজা** বিহাৰ আৰু উত্তৰ প্ৰদেশত উৎসৱ হিচাপে পালন কৰে। চট্ পূজা মূলত সূৰ্য পূজা। আজিকালি অসমতো হিন্দীভাষী লোকসকলে এই উৎসৱ পালন কৰে। মহিলাসকলে এই পূজাত মুখ্য ভূমিকা পালন কৰে। জনবিশ্বাস আছে যে এই পূজা নিষ্ঠাৰে পালন কৰিলে সূৰ্যৰ উত্তাপত অশুভ শক্তি নাশ হয় আৰু মানুহৰ আশা পূৰণ হয়।



## ফাকুৱা বা হোলি উৎসৱ




**ফাকুৱা বা হোলি** এক সৰ্বভাৰতীয় উৎসৱ। সাধাৰণতে ফাগুন মাহৰ পূৰ্ণিমা তিথিত এই উৎসৱ পালন কৰা হয়। বিভিন্ন ধৰ্মাৱলম্বী লোকে এই উৎসৱত অংশ গ্ৰহণ কৰি আনন্দ উপভোগ কৰে। ভাৰতৰ ভিন ভিন ঠাইত হোলি বিভিন্ন ধৰণে পালন কৰা হয়। এই উৎসৱত ৰং-বিৰঙৰ বস্ত্ৰ পৰিধান কৰি ফাকুৰ লগতে ৰং মিহলি পানী এজনে আনজনৰ গালৈ ছটিয়াই বা গাত সানি 'নৃত্য-গীত' কৰি আনন্দ উপভোগ কৰে।

ৰাজস্থানত 'চোং' নামৰ বাদ্যযন্ত্ৰ বজাই 'নৃত্য-গীত' পৰিৱেশন কৰি হোলি পালন কৰা হয়। উত্তৰ ভাৰতৰ ব্ৰজ ধামত ইয়াক হোলি, পশ্চিমবংগত দৌল যাত্ৰা আৰু অসমত দৌল উৎসৱ বুলি কোৱা হয়।

## ঈদ

সকলো ইছলাম ধৰ্মাৱলম্বী লোকসকলে **ঈদ** উৎসৱ পালন কৰে। ঈদ দুটা- ঈদ-উল-ফিতৰ আৰু ঈদুজ্জোহা। ঈদ-উল-ফিতৰ উৎসৱটো আৰবী কেলেণ্ডাৰৰ ৰমজান মাহৰ ঠিক পিছৰ চাৱাল মাহৰ প্ৰথম দিনা পালন কৰা হয়। সকলোৱে নতুন কাপোৰ পিন্ধি সমূহীয়াকৈ নামাজ পঢ়ে। এই উপলক্ষে ঘৰে ঘৰে নানা ধৰণৰ আহাৰ তৈয়াৰ কৰে। আত্মীয়-স্বজন আৰু প্ৰতিবেশীক ঘৰলৈ নিমন্ত্ৰণ জনায়। ঈদুজ্জোহা আৰবী কেলেণ্ডাৰৰ জিলহজ্ব মাহৰ ১০ তাৰিখে পালন কৰা হয়।






## বুদ্ধ পূৰ্ণিমা



বুদ্ধদেৱ বৌদ্ধধৰ্মৰ প্ৰৱৰ্তক। বুদ্ধদেৱৰ জন্ম, সিদ্ধিলাভ আৰু মৃত্যু ব'হাগ মাহৰ পূৰ্ণিমা তিথিতে হৈছিল। সেয়েহে ব'হাগ মাহৰ পূৰ্ণিমাৰ দিনটো এক পৱিত্ৰ দিন ৰূপে বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে **বুদ্ধপূৰ্ণিমা** হিচাপে পালন কৰে। ভাৰতকে ধৰি বিভিন্ন দেশৰ লোকসকলে এই দিনটো উৎসৱ আকাৰে পালন কৰে।

## গুৰুনানক জয়ন্তী



কাতি মাহৰ পূৰ্ণিমা তিথিত গুৰুনানকৰ জন্মদিনটোক শিখ ধৰ্মাৱলম্বী লোকসকলে উৎসৱ হিচাপে পালন কৰে। গুৰুনানক শিখ ধৰ্মৰ প্ৰৱৰ্তক আছিল। সেই দিনাখন শিখ ধৰ্মৰ লোকসকলে শোভাযাত্ৰা কৰি গুৰুৰ নাম কীৰ্তন কৰে। সকলোৱে গুৰুদ্বাৰসমূহত সমৱেত হয় আৰু গুৰুৰ বাণীসমূহ শ্ৰদ্ধা আৰু ভক্তিৰে পাঠ কৰে।

## বৰদিন

**বৰদিন** হ'ল খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলে পালন কৰা এটা উৎসৱ। এই উৎসৱ ডিচেম্বৰ মাহৰ ২৫ তাৰিখে যীশুখ্ৰীষ্টৰ জন্মদিনৰ দিনা পালন কৰা হয়। এই উৎসৱত খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলে নতুন কাপোৰ লয় আৰু গীৰ্জাত সমূহীয়া প্ৰাৰ্থনা কৰে। এই উৎসৱ উপলক্ষে ৰং-বিৰঙৰ লাইট আৰু পুতলাৰে এজোপা খ্ৰীষ্টমাছ গছ সজাই তোলা হয়। গছজোপাৰ চাৰিওফালে সকলোৱে গোট খাই কেৰল গীত গাইনৃত্য-গীত পৰিৱেশন কৰে। ইজনে সিজনক শুভেচ্ছা জনায়, ডাঙৰে সৰুক উপহাৰ দিয়ে। সকলোৱে মিলি বিলাসী আহাৰ খায়। এই উৎসৱ নিশা বহুপৰলৈকে চলি থাকে।









## অনুশীলনী

১। চমু উত্তৰ লিখা-

(ক) শিখ ধৰ্মাৱলম্বী লোকসকলে পালন কৰা উৎসৱটোৰ নাম কি?

(খ) বৰদিন কোন ধৰ্মাৱলম্বী লোকসকলে পালন কৰে?

(গ) অসমৰ কোনটো উৎসৱৰ লগত পোংগল উৎসৱৰ মিল আছে?

(ঘ) ওনাম উৎসৱত কি নৃত্য পৰিৱেশন কৰা হয়?

(ঙ) দশেৰা উৎসৱৰ লগত একেসময়তে পূব ভাৰতত পালন কৰা উৎসৱটো কি?

(চ) বিহাৰ আৰু উত্তৰ প্ৰদেশত পালন কৰা এটা উৎসৱৰ নাম।

২। **'ক'** অংশৰ লগত **'খ'** অংশ মিলোৱা-

| 'ক' | 'খ' |
| --- | --- |
| বিহু | তামিলনাডু |
| বৈশাখী | মহাৰাষ্ট্ৰ |
| পোংগল | অসম |
| ওনাম | পঞ্জাব |
| গণেশ চতুৰ্থী | কেৰেলা |

৩। উত্তৰ লিখা-

(ক) বিহু কেইটা আৰু কি কি?

(খ) ফাকুৱা উৎসৱ কেনেদৰে পালন কৰা হয়?

(গ) বুদ্ধ পূৰ্ণিমা কিয় পালন কৰা হয়?

(ঘ) ঈদ কেইটা আৰু কি কি?

(ঙ) দশেৰা উৎসৱত কাৰ কাৰ প্ৰতিকৃতি জ্বলাই দিয়া হয়?

৪। তুমি ভালপোৱা যিকোনো এটা উৎসৱৰ বিষয়ে পাঁচটা বাক্য লিখা।

৫। শুদ্ধ উত্তৰটোত '✓' চিন দিয়া-

(ক) গুৰুনানক বৌদ্ধধৰ্মৰ প্ৰৱৰ্তক।

(খ) ওনাম উৎসৱ কেৰেলাত ধৰ্মনিৰপেক্ষভাৱে পালন কৰা হয়।

(গ) চট্ পূজাত সূৰ্য দেৱতাক পূজা কৰা হয়।